Teachingninja.in

Latest Govt Job updates

Private Job updates

Free Mock tests available

Visit - teachingninja.in

# Assam JS Grade - I

## Previous Year Paper (Mains)
## Paper-IV 07 Jan, 2018

Teachingninja.in

# THE GAUHATI HIGH COURT AT GUWAHATI

(The High Court of Assam, Nagaland, Mizoram and Arunachal Pradesh)

**Main Written Examination for direct recruitment to Grade-I of Assam Judicial Service, 2017**

**Date: 07-01-2018 (Sunday)** **Time: 1.00 pm to 3.00 pm**

**Total Marks: 50** **Duration: 2 Hours**

**PAPER – IV**

১। ন্যূনতম ১০০ (এশ) শব্দৰ ভিতৰত নিম্নশীৰ্ষক যি কোনো এটা বিষয়ৰ ওপৰত এখন ৰচনা লিখক ঃ ১০

ক) পাৰিবাৰিক হিংসা প্ৰতিৰোধ আইনৰ সমুচিত প্ৰয়োগ।

খ) ভাৰতৰ পূবলৈ চোৱা নীতি।

গ) শিশু শ্ৰমিকৰ সমস্যা সমাধানৰ উপায়।

২। তলৰ বাক্যকেইটা অসমীয়ালৈ অনুবাদ কৰক ঃ (প্ৰতিটোৰ বাবে $\frac{১}{২}$ নম্বৰকৈ) ৫

i) Can you sing the National Anthem?

ii) The doctor is reading the pulse of the patient.

iii) No less than one thousand people were invited for the dinner.

iv) Assam tea is sold all over the world.

v) You are pouring water into a sieve.

vi) One is Lord under one's own roof.

vii) This road leads to Gopinath Bardoloi International Airport.

viii) He has been living from hand to mouth.

ix) I heard the news on the grape vine.

x) Procrastination is the thief of time.

৩। আপোনাৰ অঞ্চলৰ কৰ্দমাক্ত নলা-নৰ্দমাৰ পৰা হোৱা প্ৰদূষণে জনস্বাস্থ্যৰ প্ৰতি ভাবুকি সৃষ্টি কৰা বাবে তাৰ সমাধান বিচাৰি স্থানীয় বাসিন্দাৰ হৈ ৰাজ্যিক প্ৰদূষণ নিয়ন্ত্ৰণ পৰিষদৰ অধ্যক্ষলৈ ইংৰাজীত এখন আবেদন যুগুত কৰক। ৫

৪। ন্যূনতম ৫০ (পঞ্চাশ)টা শব্দৰ ভিতৰত তলৰ যি কোনো এটাৰ ভাব সম্প্ৰসাৰণ কৰক ঃ ৩

ক) হৰিণাৰ মাংসই বৈৰী।

খ) আঁঠুৱা চাই ঠেং মেলা।

৫। তলৰ <u>যি কোনো চাৰিটা</u> শব্দৰ সমাৰ্থক শব্দ লিখক ঃ ৪

স্বামী; যুৱৰাজ; মেঘ; বতাহ; চাকৰ; ভৰি।

সিপিঠিত—

Teachingninja.in

৬। এটা শব্দত প্ৰকাশ কৰক (যি কোনো চাৰিটা) ঃ ৪

এক মাকৰ পুতেক; যি অন্তৰৰ কথা জানে; যি ঈশ্বৰত বিশ্বাস নকৰে; যি পূৰ্বজন্মৰ কথা ক'ব পাৰে; বিহুৰ আগদিনা; যাক পুৰিব নোৱাৰি।

৭। যি কোনো তিনিটাৰ লিঙ্গ পৰিৱৰ্তন কৰক ঃ ৩

গোলাম; দঁতাল বা মখনা; লিগিৰা; দৰা; অঁকৰা; শহুৰ।

৮। তলৰ যি কোনো তিনিটা শব্দৰ বিপৰীত শব্দ লিখক ঃ ৩

প্ৰত্যক্ষ; প্ৰাচ্য; উৰ্বৰ; অধম; যশ; জীৱন।

৯। যি কোনো চাৰিটা খণ্ডবাক্যৰে একোটাকৈ বাক্য ৰচনা কৰক ঃ ৪

কোৰোণাৰে চপোৱা; ওৱাদানী হ'; হোলোঙাৰে কাণ বিন্ধোৱা; দলনিত পোনা মেলা; পাবত গজা; লটি-ঘটি হোৱা।

১০। যি কোনো চাৰিটা শব্দৰ শুদ্ধ অৰ্থ লিখক ঃ ৪

ক) সব্যসাচী— সত্যবাদী; ধনুৰ্দ্ধৰ; দুয়োখন হাতেৰে ধনু কাঁড় মাৰিব পৰা; মহা কৃপণ।

খ) জীৱদ্দশা— বিলৈ-বিপত্তি; জীৱন-কাল; আহুকাল; নৰিয়া অৱস্থা।

গ) জিতেন্দ্ৰিয়— দেৱৰাজ ইন্দ্ৰৰ নাম; শত্ৰু নিধনকাৰী; যুদ্ধত বিজয়ী হোৱা লোক; আত্মসংযমী।

ঘ) সাৰমেয়— শিয়াল; কুকুৰ; সিংহ; গাধ।

ঙ) সৰোৰুহ— শেৱালি; পাৰিজাত; পদুম; ৰক্তজৱা।

চ) পিনাকপাণি— অৰ্জুন; শ্ৰীকৃষ্ণ; শিৱ; হনুমান।

১১। যি কোনো পাঁচটাৰ অসমীয়া পৰিভাষা লিখক ঃ ৫

Director General of Police; Inspector General of Police; Additional District & Sessions Judge; Preliminary Investigation; Puisne Judge; Post mortem examination; rigorous imprisonment for life, warrant of attachment; exparte decree.

❑❑❑

Teachingninja.in